# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-01-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

নেপাল তিবৱত সীমান্তত আজি পুৱা অহা ৰিখটাৰ স্কেলত ৭ দশমিক ১ প্ৰাবল্যৰ ভূইকপৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১২৬ লৈ বৃদ্ধি পাইছে। এই ভূমিকম্পত ১৮৮ জনৰো অধিক লোক আহত হৈছে। এই ভূমিকম্পৰ অভিকেন্দ্ৰ নেপাল সীমান্তৰ ওচৰৰ তিবৱত স্বায়ত্ত শাসিত অঞ্চলৰ জিজাঙত ভূপৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰতাত আছিল। ভূমিকম্পৰ ফলত জিজাং চহৰত সৰ্বাধিক ক্ষতি হোৱা বুলি কোৱা হৈছে। উচ্চ প্ৰাবল্যৰ ভূইকপটোৰ পাছতে অঞ্চলটোত আন দুটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভাৰতৰ অসম, চিকিম, পশ্চিমবংগ, বিহাৰৰ ঠাই বিশেষেও এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। অৱশ্যে ভূমিকম্পৰ ফলত ভাৰতত এতিয়ালৈকে ধন জন হানি হোৱাৰ বাতৰি পোৱা হোৱা নাই।

ooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লা খনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। নৌসেনাৰ দলে উদ্ধাৰ অভিযানত অংশ লৈছে। কাইলৈৰ পৰা কোল ইণ্ডিয়াৰ দলেও উদ্ধাৰ অভিযানত সহায় কৰিব। উদ্ধাৰ অভিযানত নিয়োজিত দলে প্ৰকাশ কৰা অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে। খনিটোৰ পৰা পানী উলিওৱাৰ বাবে কেইবাটাও পাম্প ব্যৱহাৰ কৰা হৈছে।

এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত অৱহেলাজনিত কাৰণত প্ৰাণহানি হোৱাৰ অভিযোগত উমৰাংছ' আৰক্ষী থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। এই গোচৰ অনুসৰি ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন-এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত ৩৭ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক সাক্ষাৎ কৰে। সাক্ষাৎকালত ডঃ শৰ্মাই কয়, যে এছিয়াৰ দুৱাৰমুখ হিচাপে চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসম দেশৰ এক্ট ইষ্ট নীতিৰ এক গুৰুত্বপূৰ্ণ অংশ। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত বিনিয়োগৰ অপাৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ আৰু সীমাহীন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

ooooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই উজনি ভ্ৰমণৰ অংশ হিচাপে আজি ৰাজ্যৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰীঅনুৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয় ক্ৰীড়া কৰ্তৃপক্ষৰ সৈতে বিশ্ববিদ্যালয়খনৰ উন্নয়ন আৰু সমস্যাৰাজিৰ বিষয়ে

আলোচনা কৰে। বৈঠকত ৰাজ্যপালগৰাকীয়ে   বিশ্ববিদ্যালয়খনৰ সমস্যাসমূহ সমাধান কৰি ইয়াক দেশৰ এখন উল্লেখযোগ্য বিশ্ববিদ্যালয় কৰি তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক ডিব্রুগড় জিলা প্ৰশাসন, বিশ্ববিদ্যালয় আৰু  ৰাজভৱনৰ মাজত সমন্বয়ৰক্ষী হিচাপে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে এই বিশ্ববিদ্যালয়খনৰ ঘোষণা কৰা হৈছিল যদিও ভূমিৰ লগতে স্থায়ী ভৱন, প্ৰয়োজনীয় কৰ্মচাৰীৰ ব্যৱস্থা হোৱা নাছিল আৰু ৰাজ্যপালে অলপতে স্থায়ী পঞ্জীয়কক ধৰি আন বিষয়া কৰ্মচাৰী নিযুক্তি দিয়াত বিশ্ববিদ্যালয়খনৰ কাম-কাজে গতি লাভ কৰিছে। অনুষ্ঠানত ডিব্রুগড়ৰ জিলা আয়ুক্ত,  জিলা আৰক্ষী অধীক্ষক, জিলা ক্ৰীড়া বিষয়া, নিৰ্মাণকাৰী সংস্থাসমূহৰ প্ৰতিনিধি আৰু বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্যকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা ভাৰতীয় এথলেটিক্স ফেডাৰেশ্বনৰ উপ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। চণ্ডিগড়ত অনুষ্ঠিত ফেডাৰেশ্বনৰ বাৰ্ষিক সাধাৰণ সভাৰ নিৰ্বাচনত শ্ৰীমল্লবৰুৱাৰ লগতে আন ৪ জন উপসভাপতি নিৰ্বাচিত হয়। ফেডাৰেশ্বনৰ মুখ্য নিৰ্বাচনী বিষয়া তথা চণ্ডিগড় উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ৰাজশেখৰ আত্ৰে আৰু সহ নিৰ্বাচনী বিষয়া তথা উচ্চ ন্যায়ালয়ৰ অধিবক্তা অংকুৰ শৰ্মাই আজি এইকথা প্ৰকাশ কৰে। বিনাপ্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত জয়ন্ত মল্লবৰুৱা পৰৱৰ্তী ৪ বছৰলৈ এই পদত থাকিব।

০০০০০

কলিয়াবৰৰ কামাখ্যা গাঁও আৰু মিৰিভেটি গাঁৱত যোৱা নিশা  দুটাকৈ বাঘে বিচৰণ কৰাৰ পাছত আজি কলিয়াবৰত বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজহ মন্ত্ৰী কেশৱ মহন্ত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত শেহতীয়াকৈ কলিয়াবৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বাঘৰ বিচৰণ আৰু জনসাধাৰণৰ নিৰাপত্তাজনিত বিষয় লৈ আলোচনা কৰা হয়। অঞ্চলটোত বৈদ্যুতিক বেৰ নিৰ্মাণ, পহৰাৰ বাবে পৰ্যাপ্ত বনকৰ্মীৰ তহলৰ ব্যৱস্থা কৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়।  বৈঠকত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ,  কলিয়াবৰ সম জিলাৰ সম আয়ুক্ত লিজা তালুকদাৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষকে ধৰি বন বিভাগৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০

যোৱা কিছুদিনত টেলিফোন কৰাৰ সময়ত টেলিকম কোম্পানীসমূহে গ্ৰাহকৰ মোবাইল ফোনলৈ অতি বিকৃত উচ্চাৰণেৰে চাইবাৰ সজাগতা সম্পৰ্কীয় এটা বাৰ্তা প্ৰেৰণ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে, সদৌ অসম ছাত্ৰ সন্থাই আজি এই বিজ্ঞাপনটো সন্দৰ্ভত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰখনত ছাত্ৰ সংগঠনটোৱে এই বিভ্ৰান্তিকৰ বাৰ্তাৰ প্ৰচাৰে ধ্ৰুপদী মৰ্যাদা লাভ কৰা অসমীয়া ভাষাৰ অৱমাননা কৰা বুলি অভিযোগ কৰিছে আৰু অবিলম্বে এই বাৰ্তাৰ প্ৰচাৰ বন্ধ কৰিবলৈ পত্ৰযোগে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে।

০০০০০

সমাপ্ত